অসম আদিত্য

■ ডিব্ৰুগড়, বৃহস্পতিবাৰ, ২০ মাৰ্চ, ২০২৫/৬ চ'ত, ১৯৪৬ শক ■

# ডিব্ৰু মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান



ডিব্ৰুগড়, ১৯ মাৰ্চ ঃ আজি ডিব্ৰু মহাবিদ্যালয়ৰ উদ্যোগত আৰু অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত 'একবিংশ শতিকাত শিক্ষক শিক্ষাৰ প্ৰত্যাহ্বান আৰু ইয়াৰ সম্ভাৱনা' শীৰ্ষক এক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উল্লেখনীয় যে ডিব্ৰু মহাবিদ্যালয়েও চাৰি বছৰীয়া Integrated B.A. B.Ed পাঠ্যক্ৰম মুকলি কৰিবলৈ প্ৰস্তুতি কৰিছে। গতিকে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ মাজত সজাগতা অনাৰ উদ্দেশ্যে আজিৰ এই সভাখন আয়োজন কৰা হৈছে। উক্ত সভাখনত অধ্যক্ষ ড০ ৰঞ্জন চাংমাই, উপাধ্যক্ষা ড০ অদিতি বৰুৱা, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অনুপজ্যোতি ভৰালী, ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ পূৰ্বীয় প্ৰাদেশিক সমিতিৰ অধ্যক্ষ ড০ দিব্যজ্যোতি মহন্ত, বিভিন্ন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ৰ আমন্ত্ৰিত শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। নৃতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক তথা বি এ, বি এড্ পাঠ্যক্ৰমৰ সমন্বয়ক ড০ যশৱন্ত সিঙে আঁত ধৰা উক্ত সভাখন এগছি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা হয়। বন্তি প্ৰজ্বলন কৰে আমন্ত্ৰিত অতিথি বিশিষ্ট শিক্ষাবিদ ড০ দিব্যজ্যোতি মহন্ত আৰু অন্যান্য মঞ্চাধীন বিশিষ্ট ব্যক্তিসকলে। বন্তি প্ৰজ্বলনৰ সময়ত দীপমন্ত্ৰ পৰিৱেশন কৰে ছাত্ৰী অংকিতা বৰা আৰু অঞ্জিনী দিহিঙীয়াই। আৰম্ভণিতে অধ্যক্ষ ড০ ৰঞ্জন চাংমাই দেৱে সকলোকে উদ্দেশ্যি আদৰণী ভাষণ প্ৰদান কৰে আৰু উপাধ্যক্ষা ড০ অদিতি বৰুৱাইও এক শুভেচ্ছামূলক বক্তৃতা প্ৰদান কৰে। মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অনুপজ্যোতি ভৰালীয়ে সভাখনৰ লগত সংগতি ৰাখি এক চমু বক্তৃতা প্ৰদান কৰে। আমন্ত্ৰিত বক্তা ড০ দিব্যজ্যোতি মহন্তই তেওঁৰ বক্তৃতাত একবিংশ শতিকাত শিক্ষক সমাজে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে। এই প্ৰসংগত তেওঁ 'কৃত্ৰিম বুদ্ধিমত্তা'ৰ প্ৰয়োগ সম্বন্ধেও আলোচনা কৰে। তেওঁ New Education Policy 2020 ৰ অন্তৰ্গত Integrated Teacher Training Program ৰ প্ৰাসংগিকতা আৰু উপযোগিতা সম্বন্ধেও আলোচনা কৰে। সভাৰ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° ভিভিয়ান শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়।